Total number of printed pages–4

**1 (Sem–2/FYUGP) ASS 21 MN/(B)**

Jawaharlal Nehru College Library
Estd.-1964
Boko, Dist. - Kamrup

# 2026

## ASSAMESE

(Minor)

**SET–B**

Paper : ASS4200104MN

[ অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস
( ১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈ ) ]

*Full Marks : 60*

Time : 2½ hours

*The figures in the margin indicate full marks for the questions.*

**SET–B**

১। চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) মাইলছ ব্ৰন্সনে প্ৰণয়ন কৰা অভিধানখনৰ নাম কি আছিল?

(খ) 'ৰাম নৱমী'—কোনে ৰচনা কৰা নাটক?

(গ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা এখন গল্পপুথিৰ নাম লিখা।

(ঘ) 'মিৰি জীয়ৰী' কোন শ্ৰেণীৰ উপন্যাস?

(ঙ) হেমচন্দ্ৰ বৰুয়াৰ 'হেমকোষ' কিমান চনত প্ৰথমে প্ৰকাশ হৈছিল?

(চ) ত্ৰৈলোক্যনাথ গোস্বামীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(ছ) সত্যনাথ বৰাই ৰচনা কৰা ব্যাকৰণখনৰ নাম কি?

(জ) ৰামধেনু যুগৰ *যিকোনো এজন* গল্পকাৰৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) অৰুণোদই যুগৰ *দুজন* খ্ৰীষ্টীয়ান লেখকৰ নাম লিখা।

(খ) ৰোমান্টিক কবিতাৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(গ) সত্যনাথ বৰাই 'জীয়নৰ অমিয়া' পাঠটোত কি কি *দুই* শ্ৰেণীৰ মানুহৰ কথা উল্লেখ কৰিছে?



(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাই ৰচনা কৰা *দুখন* কবিতাপুথিৰ নাম লিখা।

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাক কোনে কেতিয়া 'ৰসৰাজ' উপাধি প্ৰদান কৰিছিল?

(চ) 'নিমাতী কইনা' নাটকত উল্লেখ থকা নিমাতীয় *দুগৰাকী* সখীয়েকৰ নাম লিখা।

(ছ) চৈয়দ আব্দুল মালিকে কোনখন উপন্যাসৰ বাবে কিমান চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(জ) 'কবিৰ' অহৈতুসী প্ৰীতি' পাঠটোৰ লেখক কোন? তেওঁ লিখা অসমীয়া ভাষা বিষয়ক গৱেষণা গ্ৰন্থখনৰ নাম কি?

(ঝ) অসমীয়া সাহিত্যত কথা কবিতা প্ৰথমে কোনে ৰচনা কৰিছিল? তেওঁ ৰচনা কৰা এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঞ) অসমীয়া সাহিত্য জগতত কোন গৰাকী সাহিত্যিক 'বিহগী কবি' ৰূপে পৰিচিত? তেওঁ ৰচিত এটি চৰাই বিষয়ক কবিতাৰ নাম উল্লেখ কৰা।

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ 'জোনাকী' আলোচনাৰ অৱদান।

(খ) 'জাতীয় গৌৰৱ' কৱিতাৰ যোগেদি প্ৰতিফলিত জাতীয় প্ৰেম বা স্বদেশপ্ৰেম।

(গ) 'মিৰি জীয়ৰী' উপন্যাসৰ 'পানেই' চৰিত্ৰ।

(ঘ) ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাস।

(ঙ) 'এটা গৰম কোট' গল্পটোৰ নামকৰণৰ তাৎপৰ্য।

(চ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰকৃতি' কবিতাৰ মূলভাৱ।

(ছ) চৈয়দ আব্দুল মালিকৰ চুটি গল্পৰ বৈশিষ্ট্য।

(জ) ডান্টে আৰু বিয়েট্ৰিচৰ প্ৰেম।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×২=২০

(ক) অসমীয়া ভাষা সাহিত্যলৈ মিছ্‌লেৰীসকলৰ অৱদানৰ বিষয়ে এটি আলোচনা যুগত কৰা।

(খ) 'ইংলেণ্ডৰ বিৱৰণ' পাঠটোত লেখকে অসমীয়াসকলৰ কোনবোৰ দিশেৰ ওপৰত আলোকপাত কৰিছে, চমুকৈ লিখা।

(গ) নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদ আগৰৱালাৰ এটি পৰিচয় দাঙি ধৰা।

(ঘ) 'অসমৰ স্ত্ৰীশিক্ষা' পাঠৰ আধাৰত স্ত্ৰী-শিক্ষা সম্পৰ্কে লেখক হেমচন্দ্ৰ বৰুৱাই দাঙি ধৰা কথাখিনি নিজৰ ভাষাৰে লিখা।

(ঙ) বৰ্তমান সময়ত 'জীয়নৰ অমিয়া' পাঠটোৰ প্ৰাসংগিকতা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

---